3 (Sem–4/CBCS) ASM HC 2

# 2021

## ASSAMESE

Paper : ASM–HC–4026

( Honours Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা বাক্যত উত্তৰ লিখা : ১×৬=৬

(ক) ভাৰতৰ একেবাৰে পূব অঞ্চলত কথিত নব্য ভাৰতীয় আৰ্যভাষাটোৰ নাম কি?

(খ) প্ৰাচীন কামৰূপৰ তামৰ ফলিৰ ভাষাক পণ্ডিতসকলে কি প্ৰাকৃত ভাষা নামেৰে অভিহিত কৰিছে?

(গ) প্ৰসিদ্ধ চীনা পৰিব্ৰাজক হিউৱেন চাঙে তেওঁৰ বিৱৰণত কামৰূপৰ ভাষা কোন অঞ্চলৰ ভাষাৰ পৰা কিছু পৃথক বুলি মন্তব্য কৰিছে?

(ঘ) ''অসমীয়া ভাষাৰ মূল মাগধী প্ৰাকৃত।'' এই মতৰ সপক্ষে প্ৰামাণ্য যুক্তি আগবঢ়োৱা এগৰাকী ভাষাবিদৰ নাম লিখা।





(ঙ) প্ৰাকৃত বৈয়াকৰণিকসকলে সাহিত্যিক প্ৰাকৃতৰ কোনটো প্ৰাকৃতক শ্ৰেষ্ঠ আখ্যা দিছে?

(চ) সংস্কৃত ভাষাৰ দন্ত্য আৰু মূৰ্ধন্য ধ্বনিবোৰ অসমীয়াত কি ধ্বনিৰূপে উচ্চাৰিত হয়?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) আৰ্যসকলৰ অসমলৈ প্ৰব্ৰজনৰ আগতে কি কি আৰ্য-ভিন্ন ভাষাগোষ্ঠীৰ লোক এই ভূখণ্ডত বাস কৰিছিল বুলি জনা যায়?

(খ) নব্য ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত কি কি ভাষাক মগধীয় গোষ্ঠীৰ বুলি অনুমান কৰা হৈছে?

(গ) অসমীয়া ভাষাত ৰক্ষিত হোৱা মাগধী প্ৰাকৃতৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) দ্ৰাবিড় ভাষা-পৰিয়ালৰ দুটা ভাষাৰ নাম উল্লেখ কৰা।

(ঙ) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ চহকী কৰাত বিশেষ অৱদান আগবঢ়োৱা আৰ্য-ভিন্ন-পৰিয়ালৰ অন্তৰ্গত দুটা ভাষাৰ নাম লিখা।

৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৬×৪=২৪

(ক) আৰ্যপূৰ্ব অসমৰ ভাষাগত স্থিতি সম্বন্ধে এটি টোকা যুগুত কৰা।

(খ) 'চৰ্যাপদ'ৰ ভাষাত অসমীয়া ভাষাৰ প্ৰত্ন-ৰূপ কেনেদৰে সংৰক্ষিত হৈছে, উদাহৰণৰ সৈতে বুজাই লিখা।

(গ) অসমীয়া আৰু বাংলা ভাষাৰ মাজত থকা ৰূপগত বৈসাদৃশ্যৰ বিষয়ে উদাহৰণসহ বিশ্লেষণ কৰা।

(ঘ) আধুনিক ভাৰতীয় আৰ্যভাষা হিচাপে অসমীয়া ভাষাৰ স্বতন্ত্ৰ ভাষাগত বৈশিষ্ট্যসমূহ নিৰ্ণয় কৰা।

(ঙ) অষ্ট্রিক ভাষাগোষ্ঠীৰ প্ৰধান শাখা দুটাৰ বিষয়ে বহলাই আলোচনা কৰা।

(চ) জনজাতীয় ভাষালৈ অসমীয়া ভাষাৰ ভাষিক বৰঙণি সম্পৰ্কে আলোচনা কৰা।

৪। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) উদ্ভৱকালীন অসমীয়া ভাষাৰ ঐতিহাসিক পটভূমি সম্পৰ্কে এটি নিবন্ধ প্ৰস্তুত কৰা।

(খ) প্ৰাচীন কামৰূপীয় লেখাৱলীৰ ভাষাৰ স্বৰূপ সম্বন্ধে আলোচনা কৰা।

(গ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ স্তৰকেইটা কালানুক্ৰমিকভাৱে উল্লেখ কৰি অসমীয়া ভাষাৰ উদ্ভৱৰ সময় আৰু প্ৰক্ৰিয়া বিশ্লেষণ কৰি দেখুওৱা।

(ঘ) অসমত প্ৰচলিত তিব্বত-বৰ্মীয় শাখাৰ ভাষাসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(ঙ) মধ্য ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত সাহিত্যিক প্ৰাকৃতসমূহৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

(চ) সাম্প্ৰতিক অসমীয়া ভাষাত আৰ্য-ভিন্ন ভাষাৰ শব্দগত উপাদানৰ বিষয়ে আলোচনা কৰা।

★★★